তিনি প্ৰকাৰ লোকৰ পৰা কলম উঠাই লোৱা হৈছেঃ ১) টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায়। ২) শিশু, যেতিয়ালৈকে সি প্ৰাপ্তবয়স্কত উপনীত নহয়। ৩) উন্মাদ ব্যক্তি, যেতিয়ালৈকে বোধশক্তি ঘূৰাই নাপায়।

আলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ
তিনি প্ৰকাৰ লোকৰ পৰা কলম উঠাই লোৱা হৈছেঃ ১) টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায়। ২) শিশু, যেতিয়ালৈকে সি প্ৰাপ্তবয়স্কত উপনীত নহয়। ৩) উন্মাদ ব্যক্তি,
যেতিয়ালৈকে বোধশক্তি ঘূৰাই নাপায়। [ছহীহ] [(আবু দাঊদ, তিৰমিজী, নাছায়ী ফিল কুবৰা, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, এই তিনি প্ৰকাৰ লোকৰ বাহিৰে বাকী সকলোৱে চৰীয়তৰ বিধানসমূহ পালন কৰিবলৈ দায়বদ্ধ। শিশু, ডাঙৰ নোহোৱালৈকে তথা প্ৰাপ্তবয়স্ক নোহোৱালৈকে (চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)। বিবেকহীন পাগল ব্যক্তি, যেতিয়ালৈকে তাৰ বিবেক ঘূৰি নাহিব। (তেতিয়ালৈকে চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)। টোপনিত থকা ব্যক্তি, যেতিয়ালৈকে সাৰ নাপায় (তেতিয়ালৈকে চৰীয়তি বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়)। এইসকল লোক চৰীয়তৰ বিধান পালন কৰিবলৈ দায়বদ্ধ নহয়। এনেকুৱা লোকে কৰা গুনাহ লিপিবদ্ধ কৰা নহয়। কিন্তু টোপনিত থকা আৰু পাগল ব্যক্তিৰ বাহিৰে শিশুৰ কল্যাণকৰ কাম লিপিবদ্ধ কৰা হয়। উক্ত দুই শ্ৰেণীৰ লোকৰ ইবাদত এইকাৰণে গ্ৰহণযোগ্য নহয় কাৰণ সিহঁতৰ উপলব্ধি কৰিব পৰা শক্তি নাথাকে।

http://www.sunnah.global/hadeeth/as/show/58148